# চামুৰাইৰ দৰে মোৰ মৰমৰ বোন্দা

কুকুৰ আৰু মেকুৰী দুয়োটাই পোহনীয়া জন্তু হ'লেও দুয়োটাৰে স্থান একে নহয়। কুকুৰ অতি বিশ্বাসী, প্ৰভুভক্ত আৰু নিৰ্ভৰযোগ্য বুলি সকলোৰে জনা কথা। কুকুৰৰ প্ৰভুভক্তি সন্দেহৰ উৰ্ধত। সেয়েহে কুকুৰক মানুহৰ আটাইতকৈ বিশ্বস্ত বন্ধু বুলিও অভিহিত কৰা হয়। কিন্তু তাৰ বিপৰীতে মেকুৰীৰ বহুতো বদনাম আছে। কোৱা হয় যে মেকুৰীয়ে য'তে খাবলৈ পায় তালৈকে যায়। গতিকে মেকুৰীৰ আনুগত্য বা প্ৰভুভক্তি বুলি কোনো কথা নাই।

কিন্তু সেই কথা জানিশুনিও মানুহে মেকুৰী পোঁহে কেৱল নিজৰ আনন্দৰ বাবে। বহুতে মেকুৰীক নিজৰ সন্তানৰ দৰে লালন পালনো কৰে। বহুতে নিজৰ বিচনাতে মেকুৰীক শুৱলৈকো দিয়ে। এইখিনিতে মোৰ এটা আমোদজনক কথা মনত পৰিছে।

বেংগালুৰুত মোৰ এক বান্ধবী আছে তেওঁৰ নাম উমা চুব্ৰমণিয়াম। উমাহঁত মূলতে তামিলভাষী মানুহ হ'লেও কৰ্ণাটকতে জন্ম আৰু ডাঙৰ দীঘল হোৱাৰ বাবে ইয়াৰ মানুহৰ দৰেই। অৱশ্যে ঘৰত তামিল ভাষাতেই কথা পাতে। উমাই মাইচুৰত থকা All India Institute of Speech and Hearing (য'ত মই আগতে চাকৰী কৰিছিলো) ৰ পৰা পি এইচ ডি কৰিছিল। মই উমাক তেতিয়াৰ পৰাই চিনি পাওঁ। উমাৰ ছোৱালী অনু এম.এছ.ছি পঢ়ি থাকোতে মোৰ ছাত্ৰী আছিল। বাংগালোৰ বিশ্ববিদ্যালয়ৰ Speech and Hearing বিষয়ৰ পৰীক্ষা সম্পৰ্কীয় কাজ বা মিটিং আদিত আগেয়ে উমাক প্ৰায়েই লগ পাইছিলো। লগ পালে আমেৰিকাত থকা ল'ৰাছোৱালী হালৰ বিশেষকৈ অনুৰ খবৰ লওঁ। এবাৰ তেনেকৈ লগ পাওতে উমাক সুধিছিলো নাতিপুতিৰ মুখ দেখিছে নেকি। অলপ ধেমেলীয়া উমাই তৎক্ষণাৎ ক'লে, "No, I don’t have grand-children but I have grand-kittens। উমাৰ কথা শুনি মই হাঁহিত ৰ'ব পৰা নাছিলো। কথাটো এনে ধৰণৰ – কৰ্মব্যস্ত জীয়েক-জোৱায়েক, পুতেক-বোৱাৰীয়েকৰ ল'ৰাছোৱালী ডাঙৰ দীঘল কৰিবলৈ সময় নাই। গতিকে মেকুৰী পুহিছে। মেকুৰীৰ পোৱালী জন্ম হ'লে সিহঁত ইমানেই উৎফুল্লিত হয় যে সময়ে সময়ে মেকুৰী পোৱালীৰ ফটো পঠিয়াই থাকে। ফোনত কথা পাতোতেও হেনো মেকুৰী পোৱালীৰ কথাই হে প্ৰাধান্য পায়।

পিছত এবাৰ উমাক লগ পাওতে সুধিছিলো grand-kitten ৰ পৰা grand-children ৰ আইতাকলৈ তেওঁৰ প্ৰমোচন হৈছে নেকি। উমাই তেওঁৰ ভাগ্যত তেনে প্ৰমোচন নাই বুলি ক'লে। আজি বহুতদিন উমাক লগ পোৱা নাই – কাৰোবাৰ মুখে নাতি হৈছে বুলি শুনিবলৈ পাইছো।

মই আজি এনে এটা কাহিনী লিখিবলৈ লৈছো যিটোৰ পৰা প্ৰমাণ কৰিব পাৰি যে মেকুৰীৰ আনুগত্য নোহোৱা কথাটো সম্পূৰ্ণ সঁচা নহয়।

মই সৰু থাকোতে আমাৰ ঘৰত এটা বোন্দা মেকুৰী আছিল। মোৰ বয়স তেতিয়া কিমান আছিল মই জনা নাছিলো যদিও এতিয়া কেইবাটাও তথ্যৰ ওপৰত ভিত্তি কৰি হিচাব কৰি চাই ৬ বছৰমান হ'ব বুলি ভাবিছো। মেকুৰীটো বেছ শকত আৱত আছিল আৰু তাৰ গাৰ বৰণটো আছিল কজলা। সি কেতিয়া, ক'ৰ পৰা আৰু কেনেকৈ আহিছিল সেইকথা একো মনত নাই। কিন্তু অনবৰতে তাৰ লগত খেলি ধুলি থকা কথাটো মোৰ ভালদৰে মনত আছে। সৰুকালত খেলাধুলা কৰিবলৈ মোৰ কোনো লগ নাছিল কাৰণ মোৰ পিছৰ ভাই বিভূতি মোতকৈ চাৰে পাঁচ বছৰৰ সৰু। গতিকে মই নিঃসংগ আছিলো আৰু মোৰ এই নিঃসংগতা দূৰ কৰিছিল সেই বোন্দা মেকুৰীটোৱে। তাক মই কিবা নাম দি মাতিছিলোনে নাই মোৰ একেবাৰে মনত নাই। গতিকে নামৰ অভাৱত তাৰ কথা বোন্দা বুলিয়েই উল্লেখ কৰিম।

গোটেই দিনটো বোন্দাৰ পিছে পিছে ঘুৰি ফুৰাৰ কথা মোৰ ভালদৰে মনত আছে। মোৰ মা বা আইতায়ে কিবা খাবলৈ দিলে তাৰ ভাগ তাকো দিওঁ। এবাৰ আমাৰ ঘৰত বুট ভাজিছিল। মোৰ এতিয়াও স্পষ্ট মনত আছে আমাৰ ঘৰৰ মাজৰ কোঠাটোৰ মজিয়াত বহি মই খোৱাৰ লগে লগে তাকো খুৱাই আছিলো। কোঠাটোত জ্বলি আছিল এটা অতি কম পোহৰৰ লাইট। খাই শেষ হোৱাৰ পিছত মোৰ হাতত লাগি থকা তেলখিনি মই বোন্দাৰ গাত সানি দিছিলো। আৰাম পাই বোন্দায়ে গা পাতি দিছিল আৰু তাকে দেখি মই তাক বাৰে বাৰে মালিছ কৰি দিছিলো। অলপ পাছতে মন কৰিছিলো মোৰ হাত দুখনৰ পৰা ওলোৱা এক অদ্ভুদ গোন্ধ আৰু মই আচৰিত হৈ বাৰে বাৰে হাত দুখন শুঙি চাইছিলো। তেতিয়া বোধহয় মোৰ ঘিণ ভাৱ অলপো নাছিল। সেই গোন্ধ মই এতিয়াও পাহৰা নাই। কেতিয়াবা আকস্মিকভাবে তেনে গোন্ধ কৰবাত পালে মোৰ বোন্দালৈ মনত পৰে। এতিয়া অৱশ্যে তেনে গোন্ধ পালে ঘিণ ভাৱ হয়। মোৰ কাণ্ড দেখি আমাৰ ঘৰত থকা লগুৱা পিৰুৱায়ে চিঞৰ বাখৰ কৰাত আইতায়ে আহি ধমকি দিলে, "মেকুৰীৰ গাত তেল সানিছ কেলেই ? তাৰ নোমবোৰ সৰি যাব।" তাৰ পিছত মাক মোৰ হাত দুখন ধুৱাই দিবলৈ ক'লে। মায়ে মোক থলামুৰি এটা দি হাত দুখন চাবোনেৰে ধুৱাই দিয়াৰ কথা এতিয়াও মনত আছে।

মই যিদৰে বোন্দাৰ লগ এৰা নাছিলো সিও সেইদৰেই মোৰ লগ এৰা নাছিল। মই এনেয়ে যদিও মাৰ লগত শুইছিলো সেই সময়ত মোৰ কেচুৱা ভাই বিভূতিৰ সৰু আই ওলোৱাত মোৰ বাবে কাষতে এখন বেলেগ বিচনাৰ ব্যৱস্থা কৰিছিল। ৰাতি মই শুই থাকোঁতে বোন্দা মোৰ বিচনাৰ ওচৰত থকা খিড়িকিৰে সোমাই কেনেবাকৈ আঁঠুৱাৰ ভিতৰত সোমাই মোৰ গাতে গা

লগাই শুই থাকে। মই বেলেগ বিচনাত শুবলৈ লোৱাৰ কথা সি কেনেকৈ গম পাইছিল সেই কথা মই আজিও বুজিব নোৱাৰিলো। তাকে দেখি মা দেউতায়ে আঁঠুৱাখন টানি টানি খুচি দিবলৈ ধৰিলে। আঠুঁৱাৰ ভিতৰত সোমাব নোৱাৰি সি এটা বেলেগ উপায় ল'লে। সি আঁঠুৱাখনৰ ওপৰলৈ জাপ মাৰি ঠিক সোঁমাজতে শুই থাকে। তেতিয়া আঁঠুৱাখন দোঁ খাই যোৱাৰ ফলত তাৰ গাটো মোৰ গাত লাগি থাকে। ৰাতি কেতিয়াবা সাৰ পালে নতুবা পুৱা শুই উঠি মাহঁতে তাক দেখে। কেতিয়াবা সোমাওতে গম পালে মা বা দেউতায়ে তাক খেদি দিয়ে কিন্তু সি পুনৰ আহি মোৰ গাতে গা লগাই শুই থাকে। সিও কম চতুৰ নাছিল – মাহঁত সাৰে থকা অৱস্থাত সি কেতিয়াও কোঠাত সোমোৱা নাছিল। মই অৱশ্যে সেইবোৰ একো গম পোৱা নাছিলো – অৱশ্যে কেতিয়াবা আঁঠুৱাৰ সোঁমাজত মোৰ গাতে গা লগাই শুই থকাৰ কথা গম পাইছিলো। বাকীবোৰ কথা মাঁহতে কওতেহে গম পাইছিলো।

তেনেকুৱাতে বোন্দাৰ কিবা ছালৰ বেমাৰ হ'ল। মোৰ এতিয়াও মনত আছে কজলা ৰঙৰ নোদোকা বোন্দা শুকাই খিনাই যাবলৈ ধৰিলে। মোক ঘৰৰ সকলোৱে দঢ়াই দঢ়াই বোন্দাৰ ওচৰ চাপিবলৈ মানা কৰিলে। সৰুতে ঘিণ ভাৱ নাছিল যদিও তাৰ চেহেৰাটো দেখি কিবা ভয় ভাৱ হৈছিল। গতিকে মই তাৰ ওচৰ চাপিবলৈ বাদ দিলো। কিন্তু মই বোন্দাক এৰিলেও বোন্দাই মোক নেৰে। ৰাতি মোৰ কাষলৈ আগৰদৰেই আহি থকাত দেউতায়ে ৰাতি শোৱাৰ আগতেই মোৰ বিচনাৰ কাষৰ খিড়িকিখন বন্ধ কৰি থৈছিল। কিন্তু চুপেচাপে বেলেগ খিড়িকিৰে সোমাই বোন্দা মোৰ ওচৰ পাইহি। কথা বিষম যেন দেখি দেউতা আৰু পিৰুৱায়ে মিলি বোন্দাক আমাৰ ঘৰৰ পিছফালৰ পিৰালিত থকা আটলাছ গছজোপাৰ তলত পাচি এটাৰে ঢাকি থ'লে। পাচিটোৰ ওপৰত এচপৰা বেছ ডাঙৰ শিল দি থৈছিল যাতে সি কোনোমতেই পাচিৰ বাহিৰলৈ ওলাব নোৱাৰে। সময়ে সময়ে পিৰুৱায়ে তাৰ খোৱাৰ যোগান ধৰিছিল। এনেকৈয়ে কেইদিনমান গ'ল।

এদিন হঠাতে মাজৰাতি কোনোবাই কথা পতা শব্দ শুনি সাৰ পাই গ'লো। কোঠাৰ লাইট জ্বলা আছিল – মা আৰু দেউতায়ে মোৰ বিচনাৰ তলৰ ফালে চাই কথা পাতি আছিল। কথাৰ সুৰত আছিল আশ্চৰ্য্যৰ ভাৱ। ময়ো বিচনাৰ পৰা নামি দেউতাই জ্বলাই দিয়া টৰ্চৰ পোহৰত মোৰ বিচনাৰ তলৰ ফালে চাই দেখো মোৰ মৰমৰ বোন্দা নিশ্চল হৈ পৰি আছে। মোৰ বিচনাৰ তললৈ আহি তিনিবাৰ মেও মেও কৈ চিঞৰাৰ পিছত তাৰ হেনো মাত নোহোৱা হ'ল। লগে লগেই মা আৰু দেউতা উঠি আহি দেখে যে সি মৰি আছে।

আমাৰ ঘৰত কেইবাদিনলৈকে সেই একেটা কথাকে আলোচনা হৈছিল। সকলোৰে মুখত একেটাই প্ৰশ্ন – সি ইমান নিশকতীয়া দুৰ্বল অৱস্থাত ইমান ডাঙৰ শিলেৰে হেঁচা দি থোৱা

পাচিটোৰ তলৰ পৰা কেনেকৈ ওলাই আহি খিড়িকি জপিয়াই ঘৰৰ ভিতৰ সোমাইছিল। আৰু মোৰ বিচনাৰ তলত কিয় আহি মৰিছিলহি ?

কালক্ৰমে সকলোৰে লগতে ময়ো সেইকথা পাহৰি গৈছিলো। মই ঠিক পাহৰি গৈছিলো বুলি ক'লে ভুল হ'ব – মনত আছিল ঠিকেই কিন্তু কোনোদিন সেই বিষয়ে আলোচনা আদি হোৱা নাছিল।

আজি যেতিয়া মোৰ বিচনাৰ তলত মৃত অৱস্থাত পৰি থকা বোন্দাৰ ছবি মনলৈ আহে মোৰ এনে লাগে সেয়া যেন বোন্দা নাছিল – যুদ্ধত ধৰাশায়ী হোৱা এক জাপানী চামুৰাইহে আছিল। চামুৰাই হৈছে প্ৰাচীন জাপানৰ এক শ্ৰেণীৰ মানুহ যাক প্ৰাচীন ভাৰতৰ ক্ষত্ৰীয় সকলৰ লগত তুলনা কৰিব পাৰি। যিসকল পাঠকে চামুৰাইৰ বিষয়ে শুনা নাই মই তেখেতসকলক প্ৰখ্যাত জাপানী বোলছবি নিৰ্দেশক আকিৰা কুৰুচাৱাৰ Seven Samurai আৰু হলিউডত প্ৰযোজিত বোলছবি The last Samurai চাবলৈ অনুৰোধ কৰোঁ। এজন চামুৰাই কি দৰে ত্যাগ, নিষ্ঠা, দেশভক্তি, ৰাজভক্তি, আনুগত্য, একাগ্ৰতা আদিৰ মূৰ্তিমান ৰূপ (personification) হ'ব পাৰে সেইকথা এই দুখন চিনেমা চালেই বুজিব পাৰি। অৱশ্যে প্ৰথম চিনেমাখন অলপ পুৰণা হোৱা বাবে দৰ্শকে বৰ ভাল নাপাবও পাৰে কিন্তু দ্বিতীয়খন অত্যন্তই মনোগ্ৰাহী।

বোন্দাৰ কথা মনত পাৰিলেই মোৰ মনত নানান প্ৰশ্নৰ উদয় হয়। সি বাৰু তাৰ মৃত্যু আসন্ন বুলি বুজি পাই মোৰ ওচৰলৈ আহিছিল নেকি ? নে মোৰ ওচৰলৈ আহিলে তাৰ মৃত্যুৰ যন্ত্ৰণা কিছু লাঘৱ হ'ব বুলি আশা কৰিছিল ? সি আশা কৰিছিল নেকি যে মই আগৰ দৰেই তাৰ গাত হাত ফুৰাই দিম যাৰ ফলত সি কিছু আৰাম পাব ? নে জীৱনৰ শেষ মুহূৰ্তত সি মোৰ সানিধ্য বিচাৰিছিল ? মেকুৰীয়ে কিমান দূৰলৈকে চিন্তা কৰিব পাৰে ? ইত্যাদি।

মই জানো যে সেইবোৰ প্ৰশ্নৰ উত্তৰ মই কেতিয়াও নাপাও। কিন্তু বোন্দাৰ সেই মৃত্যুৱে মোৰ হৃদয়ত অতি গভীৰভাবে ৰেখাপাত কৰিলে যাৰ প্ৰভাৱ আজীৱন অনুভৱ কৰিম। মানুহ কিমান নিচ স্বাৰ্থপৰ আৰু উপকাৰীৰ প্ৰতি অকৃতজ্ঞ আৰু আনুগত্যহীন হব পাৰে তাৰ প্ৰমাণ মই নিকট তথা দূৰৰ আৰু আপোন তথা পৰৰ বিভিন্ন জনৰ মাজত দেখিবলৈ পাইছো। তেনে কথাত মই আঁহত হ'লে বোন্দাৰ আনুগত্য আৰু প্ৰভুভক্তিৰ কথা মনত পেলাই সকাহ লাভ কৰো।